পাঠ ১৪

# সৰু ছোৱালী আৰু পখী

DAILY ASSAM





আহ, পখী আহ,
ফুল দিম কোঁচ ভৰি
খুৱাম উদৰ পুৰি,
সাজি দিম সোণোৱালী বাহ,
আহ পখী, উৰি উৰি আহ।

আহ, পখী আহ,
পকা পকা ফল দিম
তোৰ স'তে ওমলিম,
পাবি ৰং, আহ পখী, আহ,
সাজি দিম সোণেৰেই বাহ।

আহ, পখী আহ,
তোক মই ভাল পাওঁ,
দেখিলেই চাই ৰওঁ
পাখি মেলি উৰা মাৰি আহ,
আহ পখী সাউৎ কৰে আহ।

আহ, পখী আহ
আকাশত উৰি উৰি
অকলে অকলে ফুৰি
গছে-বনে থাকি কিনো গাহ,
আহ পখী, একেচিপে আহ।



☞ পদ্যটোত ছন্দ মিলাবৰ বাবে 'গা' শব্দৰ সলনি 'গাহ' ৰূপ দিছে



আহ, পখী আহ,
গীত গাবি সুললিত,
শুনি হ'ম হৰষিত
ওচৰতে আছে এটি বাহ
আহ পখী ততালিকে আহ।

কবি — ভৈৰৱ চন্দ্ৰ খাটনিয়াৰ

*(উৎস - মকৰা ফুল, পৃষ্ঠা - ২৮৮ ,প্ৰকাশক - অসম প্ৰকাশন পৰিষদ)*

**ক** — পাঠভিত্তিক

**ক্ৰিয়া-কলাপ**


**পদ্যটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**


**পদ্যটো আবৃত্তি কৰা।**


**উত্তৰ লিখা।**

(ক) সৰু ছোৱালীয়ে পখীক কি কি দিব বুলি কৈছে?

- ⇨ কোঁচ ভৰাই
- ⇨ থাকিবলৈ
- ⇨ খাবলৈ



(খ) সৰু ছোৱালীয়ে কিয় বাৰে বাৰে পখীজনীক তেওঁৰ ওচৰলৈ আহিবলৈ কৈছে?

(গ) সৰু ছোৱালীয়ে কিয় পখীজনীক গীত গাবলৈ মাতিছে?


**পদ্যটোত কবিয়ে কোৱা কথাখিনি নিজৰ কথাৰে লিখা।**


**তলত দিয়া শব্দৰ অৰ্থ শব্দ-সম্ভাৰ আৰু অভিধান চাই লিখা।**

উদৰ সাউৎ একেচিপে সুললিত হৰষিত ততালিকে

চৰাইজনীয়ে যাতে কষ্ট নাপায় তাৰ বাবে সৰু ছোৱালীয়ে কি কি কৰিবলৈ গাত লৈছে?

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

'সাউৎকৰে' শব্দটোৰ অৰ্থ হৈছে 'বেগতে', 'একে চোঁচাই', 'একে চিপতে', 'একেশোহাই'। 'সাউৎকৰে'ৰ দৰে অৰ্থ প্ৰকাশ কৰা পাঠত থকা আন দুটা শব্দ হৈছে 'ততালিকে', 'একেচিপে'। এতিয়া সাউৎকৰে শব্দটো প্ৰয়োগ কৰি ওপৰত উল্লেখ কৰা অৰ্থ প্ৰকাশ হোৱাকৈ চাৰিটা বাক্য ৰচনা কৰা।

**তলৰ শব্দকেইটাৰ সমাৰ্থক শব্দ পদ্যটোৰ পৰা বিচাৰি লিখা। (দলত আলোচনা কৰি কৰিবা।)**

শুৱলা    বেগতে    পেট    আনন্দিত    গগন

জানো আহা

চন্দ্ৰবিন্দু এটা নিচেই সৰু চিন; ইয়াক স্বৰ আৰু ব্যঞ্জনৰ ওপৰত প্ৰয়োগ কৰা হয় যদিও ই স্বৰৰ লগতহে উচ্চাৰিত হয়। চন্দ্ৰবিন্দু অসমীয়া ভাষাৰ এটা পূৰ্ণাংগ বৰ্ণ। সেইবাবে ইয়াৰ প্ৰয়োগত সতৰ্ক হ'ব লাগে।

চন্দ্ৰবিন্দু ব্যৱহাৰৰ বহুতো বিধি আছে। তলত কেইটামান বিধি উল্লেখ কৰা হ'ল —

⇨ উত্তম পুৰুষৰ ক্ৰিয়াপদৰ 'ওঁ' বিভক্তিত চন্দ্ৰবিন্দু ব্যৱহাৰ হয়। পদ্যটোত থকা 'পাওঁ' আৰু 'ৰওঁ' শব্দদুটাৰ চন্দ্ৰবিন্দুটো এইবিধি অনুসৰি প্ৰয়োগ হৈছে। উদাহৰণ— মই কৰোঁ, আমি পঢ়োঁ ইত্যাদি।

⇨ বহুবচন বুজোৱা - 'হঁত' প্ৰত্যয়ত চন্দ্ৰবিন্দু ব্যৱহাৰ হয়।
সৰ্বনাম— ইহঁত, সিহঁত, তহঁত
বিশেষ্য— ল'ৰাহঁত, জীয়াৰীহঁত, জীয়েকহঁত

⇨ ক্ৰিয়াপদৰ লগত যোগ হোৱা বহুবচনৰ 'হঁক' প্ৰত্যয়ত চন্দ্ৰবিন্দু যোগ হয়। যেনে- আহিবিহঁক। নাযাবিহঁক নেকি? সকলোটি আহিবাহঁক দেই!



☞ নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী

➪ কোনো ক্রিয়াৰ কাম কৰোঁতা বুজোৱা - ওঁতা (পুংলিংগ) আৰু - 'অঁতী (স্ত্রীলিংগ বাচক) প্রত্যয়ত চন্দ্রবিন্দু যোগ হয়। যেনে—

| <u>পুংলিংগ</u> | <u>স্ত্রীলিংগ</u> |
|---|---|
| কৰোঁতা | কৰঁতী |
| কওঁতা | কৰঁতী ইত্যাদি |

➪ কৃদন্ত- 'ওঁতে'ত চন্দ্রবিন্দু হয়। যেনে— কওঁতে, থওঁতে, গৈ থাকোঁতে ইত্যাদি। ওপৰত উল্লেখ কৰা চন্দ্রবিন্দুৰ বিধিকেইটা ভালদৰে জানিলেও বানান শুদ্ধ হ'ব।

**উদাহৰণত দেখুৱাৰ দৰে তলৰ শব্দবিলাকৰ অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য সাজা।**

যেনে—

ভৰি— <u>ভৰি</u>ত দুখ পোৱা বাবে ৰাজুৰ খোজ কাঢ়িবলৈ অসুবিধা হৈছে।

ভৰি— বাগিছাখন ফুলেৰে <u>ভৰি</u> পৰিছে।

| <u>শব্দ</u> | <u>অৰ্থ</u> |
|---|---|
| সজা | চৰাই আদি থোৱা কাঠীৰ সঁজুলি বা বাহ |
| সজা | আনলোকৰ দ্বাৰা নিৰ্মাণ কৰা; তৈয়াৰ কৰা কাৰ্য |
| ফল | কোনো কাৰ্যৰ পৰিণতি |
| ফল | গছৰ গুটি |
| ৰং | আনন্দ |
| ৰং | বৰণ |

## গ — জ্ঞান সম্প্ৰসাৰণ



পদ্যটোত সৰু ছোৱালীয়ে চৰাইজনীক বিভিন্ন বস্তু দিব বুলি লোভ দেখুৱাই মাতিছে। তেনেদৰে তোমাকো কোনোবাই বহু বস্তু দিব বুলি লোভ দেখুৱালে, তুমি কি কৰিবা? বস্তুৰ লোভত অচিনাকি লোকৰ ওচৰলৈ গ'লে তোমাৰ কেনেধৰণৰ বিপদ হ'ব পাৰে?



'আহ, পখী আহ/ফুল দিম কোঁচ ভৰি/খুৱাম উদৰ পুৰি/সাজি দিম সোণোৱালী বাহ',- সৰু ছোৱালীয়ে পখীক ওপৰত উল্লেখ কৰা বস্তু দিম বুলি কৈছে। সেইদৰে ছোৱালীজনী যদি পখীৰ ওচৰলৈ যায় পখীয়ে তাইক কি কি দিব পাৰিব বুলি তুমি ভাবা?



## ঘ — প্ৰকল্প

- তুমি চিনি পোৱা এবিধ চৰাইৰ তথ্যসংগ্ৰহ কৰি এখন ৰচনা লিখা।
- তোমাৰ চিনাকি চৰাইৰ ছবি আঁকা।



- ওপৰৰ ছবিখন চাই কাহিনী এটা লিখা।

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্যটি শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা
- পদ্যটি আবৃত্তি কৰিব পৰা
- পদ্যৰ ৰস উপলব্ধি কৰি আনন্দ লাভ কৰিব পৰা
- নতুন শব্দৰ লগত পৰিচয় হোৱা আৰু প্ৰয়োগ কৰিব পৰা
- পদ্যৰ মূল কথাখিনি নিজৰ কথাৰে ক'ব আৰু লিখিব পৰা
- চৰাই-চিৰিকটিৰ প্ৰতি মৰম ভাব জাগ্ৰত হোৱা
- একে অৰ্থ বুজোৱা শব্দ আৰু বিপৰীতাৰ্থক শব্দ লিখিব পৰা
- চন্দ্ৰ বিন্দু 'ঁ' সম্পৰ্কে বিস্তৃতভাৱে জানিব পৰা
- বিভিন্ন অৰ্থপ্ৰকাশক শব্দৰে বাক্য গঠন কৰিব পৰা
- চিন্তাশক্তিৰ বিকাশ সাধন হোৱা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | শুদ্ধ উচ্চাৰণেৰে পদ্য পঢ়িব পৰা | আবৃত্তি কৰিব পৰা | নতুন শব্দৰ অৰ্থ বুজিব পৰা, ক'ব পৰা আৰু লিখিব পৰা | পদ্যৰ মূল কথাখিনি নিজৰ কথাৰে লিখিব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | একেটা শব্দকে বিভিন্ন অৰ্থ অনুযায়ী বাক্যত প্ৰয়োগ কৰিব পৰা | বিপৰীতাৰ্থক শব্দ লিখিব পৰা | বিভিন্ন অৰ্থ প্ৰকাশক শব্দৰে বাক্য গঠন কৰিব পৰা | চন্দ্ৰ বিন্দুৰ ব্যৱহাৰ সম্পৰ্কে জনা | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | বস্তুৰ প্ৰলোভনত অচিনাকি মানুহৰ ওচৰলৈ গ'লে হ'ব পৰা বিপদৰ কথা ভাবি ক'ব আৰু লিখিব পৰা | চৰায়ে সৰু ছোৱালীক কি কি দিব পাৰে কল্পনা কৰি ক'ব আৰু লিখিব পৰা | | | | |
| | | | | | | |
| প্ৰকল্প | চিনাকি চৰাই বিষয়ক ৰচনা লিখিব পৰা | চৰাইৰ ছবি আঁকিব পৰা | ছবি চাই কাহিনী লিখিব পৰা | | | |
| | | | | | | |

☞ *অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।*